**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------------------------------

১। ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ।

২। বিধানসভা উপ-নিৰ্বাচনৰ ৰাজ্যৰ তিনিটা সমষ্টিৰ বাবে বিজেপিৰ প্ৰাৰ্থীৰ নাম ঘোষণা।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি বাৰানসীত কেইবা হাজাৰ কোটি টকীয়া প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৪। চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ডিজিটেল সাক্ষৰতা অত্যন্ত জৰুৰী বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধানৰ প্ৰকাশ। **আৰু**

৫। বাংগালুৰু টেষ্টত ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ প্ৰয়োজন।

০০০০০০

ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হ'ব। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হ'ব। এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়-

**-বাইট- (চি এম)**

০০০০০০

বিজেপিয়ে অসম, বিহাৰ, ছত্তিশগড়, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু পশ্চিমবংগৰ কেইখনমান বিধানসভা আসনৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দলে অসমৰ ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কেৰালাৰ ৱায়নাড লোকসভা আসনৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধী ৱাদ্ৰাৰ বিৰুদ্ধে বিজেপিয়ে নব্যা হৰিদাসক থিয় কৰাইছে। বিজেপিয়ে অসমৰ তিনিখন, বিহাৰ, কৰ্ণাটক, কেৰালা আৰু মধ্যপ্ৰদেশৰ দুখনকৈ আৰু ৰাজস্থান তথা পশ্চিমবংগৰ ৬ খনকৈ বিধানসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০০

ৰাজ্যৰ ৫টা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ নিৰ্বাচন সন্দৰ্ভত ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। মন্ত্ৰী অশোক সিংহল আৰু বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কালি চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে চিৰাং জিলাৰ কাশীকোত্ৰাত কেন্দ্ৰীয় দলীয় কাৰ্যালয় মুকলি কৰি বিজেপি, ইউ পি পি এল আৰু অগপ দলৰ মাজত যৌথ বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত অশোক সিংহলে সংবাদ মাধ্যমত কয় যে মন্ত্ৰী উপ নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে ৫টা সমষ্টিটে বিপুল ভোটত জয়ী হ'ব। ইপিনে বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োয়ে চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত মিত্ৰদলৰ প্ৰাৰ্থী জয় হ'ব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰানসীলৈ যাব। তাত তেওঁ প্ৰায় ছহেজাৰ ১০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দিনৰ প্ৰায় দুই বজাত কাশীত উপস্থিত হ'ব আৰু আৰ জে শংকৰা চকু চিকিৎসালয় মুকলি কৰিব। ইয়াৰ পাছত বিয়লি প্ৰধানমন্ত্ৰীয়ে বাৰানসীৰ ছিগৰা ষ্টেডিয়ামত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিদেশ মন্ত্ৰ্যালয়ে সামাজিক মাধ্যমযোগে কৈছে যে, দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত এই ভ্ৰমণত গুৰুত্ব আৰোপ কৰা হব। মন্ত্ৰালয়ে এই শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে বুলি প্ৰকাশ কৰিছে। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ ভাৰতৰ এক্ট ইষ্টৰ নীতিৰ দশকপূৰ্তি উদ্‌যাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ।

০০০০০০

চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ডিজিটেল সাক্ষৰতা অত্যন্ত জৰুৰী বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত চাইবাৰ সুৰক্ষা বিষয়ত আলোচনাত অংশ লৈ শ্ৰীগুপ্তাই এইকথা উল্লেখ কৰে। তেওঁ কয় যে অপৰাধীসকলে বিভিন্ন কৌশল অৱলম্বন কৰি জনসাধাৰণক প্ৰৱঞ্চনা কৰাৰ চেষ্টা চলায়। বিশেষকৈ সামাজিক মাধ্যমসমূহৰ জৰিয়তে তেঁওলোকে গ্ৰাহকৰ ওচৰ চপাৰ চেষ্টা কৰে। যিকোনো ধৰণৰ বিনামুলীয়া সেৱা বা সামগ্ৰী আগবঢ়োৱাৰ প্ৰস্তাৱ পালেই সহজেই বিশ্বাসত নল'বলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। তেওঁ কয় যে, এই অপৰাধীসকলে কোনো কোনো সময়ত বিদ্যুৎ, টেলিফোন সেৱা বা এ টি এম বন্ধ কৰি দিয়া হ'ব বুলি ভাবুকি কৰা বাৰ্তা দিব পাৰে। ভূৱা অনলাইন চাকৰিৰ প্ৰলোভন, ধন বিনিয়োগৰ প্ৰলোভন, ভ্ৰমণৰ ক্ষেত্ৰত বিশেষকৈ হোটেল আদি বুকিং কৰাৰ সময়তো এনে ধৰণৰ অপৰাধী চক্ৰসমূহে ৰাইজক প্ৰৱঞ্চনা কৰাৰ বিভিন্ন কৌশল অৱলম্বন কৰে বুলি তেওঁ কয়। সেয়েহে প্ৰতিটো ক্ষেত্ৰতে নিখুতভাৱে চালি-জাৰি চাই আৰু প্ৰয়োজন হলে অভিজ্ঞসকলৰ পৰা জানি বুজি লৈহে আগবঢ়া প্ৰয়োজন বুলি শ্ৰীগুপ্তাই মন্তব্য কৰে। বিত্তীয় ক্ষেত্ৰত অপৰাধীৰ পৰা হাত সাৰিবলৈ হ'লে সমস্যাৰ সন্মুখীন

হোৱা মাত্ৰেই ১৯৩০ বা চাইবাৰ অপৰাধৰ পোৰ্টেলত অভিযোগ দিবলৈ তেওঁ আহ্বান জনায়। অসম আৰক্ষীক চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে পৰ্যাপ্ত প্ৰযুক্তিগত সুবিধা প্ৰদান কৰা হৈছে বুলি তেওঁ কয়। অতি সোনকালে ৰাষ্ট্ৰীয় চাইবাৰ ফৰেনচিক গৱেষণাগাৰ প্ৰতিষ্ঠা হ'ব আৰু ইয়াৰ দ্বাৰা এনে অপৰাধসমূহ ৰোধ কৰাৰ ক্ষেত্ৰত সূদূৰ প্ৰসাৰি পৰিৱৰ্তন হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা কৰিমগঞ্জ জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি জিলাখন ভ্ৰমণ কৰি এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। কৰিমগঞ্জৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আয়োজিত এই বৈঠকত বিভাগী মুৰববীসকল উপস্থিত থাকে। বৈঠকত মন্ত্ৰীগৰাকীয়ে তৃণমূল পৰ্যায়ৰ বিভিন্ন উন্নয়নমূলক চৰকাৰী প্ৰকল্প ৰূপায়ণ আৰু কামকাজৰ অগ্ৰগতিৰ খতিয়ান লয়। বৈঠকৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি তেওঁ জিলাখনত বিভিন্ন বিভাগৰ মাজত সমন্বয়ৰ জৰিয়তে উন্নয়নমূলক কামকাজসমূহ ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগৰ উন্নয়নমূলক কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰয়োজনীয় কামকাজসমূহ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে কৰিমগঞ্জ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে মন্ত্ৰী হিচাপে এইখনে আছিল তেওঁৰ প্ৰথম পৰ্যালোচনা বৈঠক।

০০০০০০

ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাপন পৰিষদ চমুকৈ NAACৰ মূল্যায়নত পাণ্ডু মহাবিদ্যালয়ে ৩ দশমিক ১-২ CGPA ৰে এ-গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। দৰং মহাবিদ্যালয়ে ২ দশমিক ৮-৫ CGPA ৰে বি-ডাবল প্লাছ আৰু গোগামুখ মহাবিদ্যালয়ে ২ দশমিক ১ CGPA ৰে বি-গ্ৰেড লাভ কৰে। তিনিখন মহাবিদ্যালয়ৰ এই সাফল্যৰ বাবে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শুভেচ্ছা জনাইছে।

০০০০০০

যোৰহাট আৰক্ষীৰ উদ্যোগত কালি পুলিবৰ মালৌখাত বিদ্যালয়ত যুৱ উশৃংখল, বাল্য বিবাহ, চাইবাৰ অপৰাধ আদিৰ বিৰুদ্ধে সজাগতা সভাৰ আয়োজন কৰা হয়। বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজৰ উপস্থিতত সভাত আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই উক্ত সমস্যাসমূহৰ ওপৰত আলোকপাত কৰে।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ইমৰান শ্বাহক আজি মাতৃভাষা বঁটা ২০২৪ প্ৰদান কৰা হ'ব। শিৱসাগৰ নগৰৰ সমীপৰ ধাইআলিত থকা ইমৰান শ্বাহৰ বাসগৃহত সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদে সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰিব। যোৱা ৬ অক্টোবৰত মঙলদৈত অনুষ্ঠিত শ্বহীদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ উদ্যোগত সফলতাৰে অনুষ্ঠিত হৈ যোৱা সপ্তদশ কেন্দ্ৰীয় মাতৃভাষা দিৱসত লোৱা সিদ্ধান্তমৰ্মে ইমৰান শ্বাহক এই বঁটা প্ৰদান কৰা হ'ব বুলি অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদে জানিবলৈ দিছে।

০০০০০০

যোৰহাটৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি মিছন শক্তি আঁচনিৰ জিলা পৰ্যায়ৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্ত আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনত ৰূপায়ণ কৰিবলগীয়া এই আঁচনিৰ জৰিয়তে ছোৱালী আৰু

মহিলাসকলৰ সৱলীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে মহিলাৰ সুৰক্ষা আৰু আৰ্থসামাজিক দিশৰ সৱলীকৰণৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী সেৱা আগবঢ়োৱা হ'ব।

০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি ¨পঞ্চম দিনা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ প্ৰয়োজন। ইয়াৰ পূৰ্বে ভাৰতে কালি ৪৬২ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতৰ হৈ ছৰফৰাজ খানে ১৫০ ৰান কৰাৰ বিপৰীতে ঋষভ পণ্টে ৯৯ ৰানৰ বৰঙণি আগবঢ়ায়।

ভাৰতে বৰ্ষাবিঘ্নিত খেলখনৰ দ্বিতীয় দিনা প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। নিউজিলেণ্ডে প্ৰথম ইংনিছত ৪০২ ৰান সংগ্ৰহ কৰিছিল।

০০০০০০

ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি নিউজিলেণ্ড দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত প্ৰতিযোগতাৰ ইতিহাসত ২০১৬ চনৰে পৰা প্ৰথমবাৰৰ বাবে নতুন দল চেম্পিয়ন হোৱাটো নিশ্চিত হৈ পৰিছে।

দক্ষিণ আফ্ৰিকাই ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নিউজিলেণ্ডে ৱেষ্ট ইণ্ডিজক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ ৰাজ্য মন্ত্ৰী ডাঃ পেন্মাছানী চন্দ্ৰশেখৰে চৰাইদেউ মৈদাম পৰিদৰ্শনৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ বাসভৱনত হিজবুল্লাই আক্ৰমণ চলোৱাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে উচ্চ প্ৰযুক্তিৰ প্ৰতিৰক্ষাৰ বেহু ভেদ, ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ বাসভৱনত হিজবুল্লাৰ ড্ৰোণ আক্ৰমণ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোক **অসমীয়া খবৰ** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভয়াবহ প্ৰদূষণে দিল্লীৰ জনজীৱন প্ৰভাৱিত কৰা বুলি এটা বাতৰি **আমাৰ অসম** কাকতে ৰাজধানী দিল্লীৰ শ্বাসকষ্ট শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে।

শিৱসাগৰত অ' এন জি চিৰ বিষয়া-কৰ্মচাৰীক অপসৰণৰ পৰিকল্পনাত আলফা স্বাধীনক সহযোগিতা কৰা আৰু এজন লোকক শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে আৰক্ষীৰ জালত এ' এছ্ টি চিৰ বাছ চালক মুবিন হাজৰিকা, অ' এন জি চিৰ বিষয়া তাহিঁৰুলে ৰচনা কৰিছিল সহকৰ্মীক অপসৰণৰ ষড়যন্ত্ৰ শিৰোনামেৰে বাতৰি পৰিৱেশন কৰিছে।

ৰাজ্যত পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দলৰ মাজত তৎপৰতা বৃদ্ধিৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জ্যেষ্ঠ নাগৰিকৰ স্বাস্থ্য বীমা, সাধাৰণ লোকৰ পাঁচ লাখ পৰ্যন্ত স্বাস্থ্য বীমা আদিত জি এছ্ টি ৰেহাইৰ সম্ভৱনা, কৰৰ হাৰ সংশোধনী মন্ত্ৰীগোটৰ বৈঠকত এই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত চি বি আয়ে ৬টা গোচৰ ৰুজু কৰাৰ বাতৰিক **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে – এ পি এছ্ চিৰ মূল লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা ঃ ১৩ নৱেম্বৰৰ পৰা মৌখিক পৰীক্ষা, ভেজাল গাখীৰ আৰু গাখীৰত অন্য পদাৰ্থৰ মিশ্ৰণ ৰোধ কৰিবলৈ ভাৰতীয় খাদ্য সুৰক্ষা মান প্ৰাধীকৰণৰ কঠোৰ নীতি নিৰ্দেশনা, সাহিত্যিক-শিক্ষাবিদ খগেন্দ্ৰ নাথ ভূঞাৰ বিয়োগ, চাৰি শতাংশ বাঢ়িব ৰাজিক্য কৰ্মচাৰীৰ মৰগীয়া বানচ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত